GAUHATI UNIVERSITY
CENTRE FOR DISTANCE AND ONLINE EDUCATION
www.gucdoe.in

# জাননী

তাৰিখ : ০১-০৯-২০২৩

ইয়াৰ দ্বাৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনস্থ মহাবিদ্যালয় সমূহৰ অন্তৰ্গত গুৱাহাটী বিশ্ববিদ্যালয় দূৰ আৰু অনলাইন শিক্ষা কেন্দ্ৰৰ (পূৰ্বৰ আইড'ল) সমন্বয়ক আৰু সংশ্লিষ্ট সকলোকে জনোৱা হ'ল যে বিশ্ববিদ্যালয় অনুদান আয়োগৰ দ্বাৰা অনুমোদিত বিষয় সমূহত স্নাতকোত্তৰ পাঠ্যক্ৰমৰ বাবে বৰ্ত্তমান চলি থকা নামভৰ্তিকৰণৰ প্ৰক্ৰিয়াৰ অন্তিম তাৰিখ ৩০ চেপ্টেম্বৰ, ২০২৩ তাৰিখলৈ বঢ়াই দিয়া হৈছে। লগতে ইয়াকো জনোৱা হ'ল যে নামভৰ্তি কৰণৰ বাবে পূৰ্বে নিৰ্দ্ধাৰিত কৰা মাচুল ১০,০০০.০০ টকাৰ (প্ৰথম আৰু দ্বিতীয় ষান্মাসিকৰ বাবে) পৰিবৰ্তে ৫,০০০.০০ টকালৈ (কেৱল প্ৰথম ষান্মাসিকৰ বাবে) হ্ৰাস কৰা হৈছে। এতিয়াৰে পৰা ছাত্ৰ ছাত্ৰী সকলে প্ৰথম ষান্মাসিকৰ মাচুল জমা দি নামভৰ্তি কৰিব পাৰিব। আনহাতে, যিসকল ছাত্ৰ ছাত্ৰীয়ে ইতিমধ্যে প্ৰথম আৰু দ্বিতীয় ষান্মাসিকৰ বাবে দুয়োটা মাচুলৰ বাবদ ১০,০০০.০০ টকা জমা দিছে, তেনে ছাত্ৰ ছাত্ৰী সকলে পৰবৰ্ত্তী পৰ্যায়ত তৃতীয় আৰু চতুৰ্থ ষান্মাসিকৰ মাচুল জমা দিলেই হ'ব। যিসকল ছাত্ৰ ছাত্ৰীয়ে ইতিমধ্যে নামভৰ্তি সম্পূৰ্ণ কৰিছে, তেওঁলোকৰ স্ব-শিক্ষণ সামগ্ৰী অচিৰেই অনুষ্ঠিত হ'বলগীয়া অধ্যক্ষ/সমন্বয়কৰ সভাত বিতৰণ কৰা হ'ব। অধ্যক্ষ/সমন্বয়কৰ সভা আৰু স্ব-শিক্ষণ সামগ্ৰী বিতৰণ সম্পৰ্কীয় জাননী অতিশীঘ্ৰে জাৰি কৰা হ'ব।

সঞ্চালক
গুৱাহাটী বিশ্ববিদ্যালয় দূৰ আৰু
অনলাইন শিক্ষা কেন্দ্ৰ

Gopinath Bardoloi Nagar, Guwahati- 781014 : Assam
Tel: 88110-92688, E-mail: director_cdoe@gauhati.ac.in

Scanned with CamScanner